# অসম আদিত্য

RNI RE
Portal
e-mail

আপে
আমাৰ
মেলি
বৰ উ
হ

৫ ব'হাগ, ১৯৪৫ শক ■ মঙলবাৰ, ৯ মে', ২০২৩ ■ Asom Aditya, Dibrugarh, Tuesday, May 9, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ প


## বায়ুসেনাৰ মিগ-২১-এ প্ৰাণ ল'লে ৩ মহিলাৰ

জয়পুৰ, ৮ মে' ঃ ৰাজস্থানত বায়ুসেনাৰ যুঁজাৰু বিমানৰ ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হয়। পুৱা হনুমানগড়ৰ বহলোল নগৰ অঞ্চলৰ এটা ঘৰৰ চাদৰ ওপৰতে ৬ পৃষ্ঠাত

ৰ
ন
াটি ২
কোটি
পৃষ্ঠাত

লুৰীণজ্যোতি গগৈৰ

## ৱাই আবোল-ছে আজমলে

াৰ প্ৰাক্ মুহূৰ্তত ড° হিমন্ত
ল লৈ জনসাধাৰণৰ জীৱন
জাতীয় পৰিষদৰ সভাপতি
য়াত মিলনজ্যোতি ৬ পৃষ্ঠাত





## মণিপুৰৰ হিংসাক মানৱীয় সংকট আখ্যা উচ্চতম ন্যায়ালয়ৰ

# স্থানান্তৰিত লোকক সংস্থাপন-ধৰ্মীয় স্থান সুৰক্ষাৰ নিৰ্দেশ কেন্দ্ৰক

নতুন দিল্লী, ৮ মে' ঃ মণিপুৰ এতিয়া সংকটত। গোষ্ঠীগত সংঘৰ্ষই জ্বলোৱা মণিপুৰ সম্প্ৰতি অস্থিৰ। অৱশ্যে প্ৰাৰম্ভিক সংঘৰ্ষৰ তুলনাত এতিয়া সেনাবাহিনীৰ তৎপৰতাত হিংসাত্মক কাৰ্য সংঘটিত হোৱা নাই যদিও সংৰক্ষণ বিবাদ অন্ত পৰা নাই। জনজাতি আৰু অজনজাতিৰ সংৰক্ষণকেন্দ্ৰিক ক্ষোভ এতিয়াও উমি উমি জ্বলি আছে। এই সকলো অনিয়ন্ত্ৰিত পৰিস্থিতিৰ ৬ পৃষ্ঠাত

বেচৰকাৰী সংস্থাক গতাহ ৯ পৃষ্ঠাত

## ডিব্ৰুঙৰ বাঢ়নী পানীয়ে উটুৱাই নিলে কিশোৰীক

প্ৰতিবেদক, বান্দৰদেৱা, ৮ মে' ঃ আজি বিয়লি প্ৰায় তিনি বজাত লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী ৬ পৃষ্ঠাত

### ৪ মাহৰ বাবে টাউন ষ্টেছনলৈ ৰে'লসেৱা স্থগিত

## ১৬ মে'ৰ পৰা আৰম্ভ হ'ব মানকটা ৰোডৰ উৰণীয় সেতু নিৰ্মাণ

ষ্টাফ ৰিপৰ্টাৰ, ৮ মে' ঃ অহা ১৬ মে'ৰ পৰা আৰম্ভ হ'ব চৌকিডিঙী-থানা চাৰিআলি সংযোগী উৰণীয়া সেতু ভাঙি উন্নতমানৰ উৰণীয়া সেতু নিৰ্মাণৰ কাম। ৯ পৃষ্ঠাত

## সফল হ'বলৈ লাগিব মনৰ দৃঢ়তা ঃ কানৈ কলেজত হিমা দাস

ষ্টাফ ৰিপৰ্টাৰ, ৮ মে' ঃ 'মনৰ দৃঢ়তা থাকিলে যিকোনো কামতে সফল হ'ব পাৰি'— এই মন্তব্য ধিং এক্সপ্ৰেছ তথা বিশ্ব চেম্পিয়ন এথ্লেট হিমা দাসৰ। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলক ৯ পৃষ্ঠাত



# অসম আদিত্য

...ব'হাগ, ১৯৪৫ শক ■ মঙলবাৰ, ৯ মে', ২০২৩ ■ Asom Aditya, Dibrugarh, Tuesday, May 9, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা...


...ী নথকাৰ বাবে খালী থাকি গ'ল। ...আবকাৰী আৰু বন বিভাগৰ ৫,৭৩০ ...৭ টা পদ এ পি আৰ অ', বন আৰু ...নিষ্ঠবলৰ। আনহাতে, ৩৮০ টা স্নাতক ... টা উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল ...াৰু ১,৬৬৬ টা চতুৰ্থ বৰ্গৰ পদ। ...কী সঞ্চালকপ্ৰধানগৰাকীয়ে লগতে ...হৰত অসম আৰক্ষীত ১,৯৯,৯৭৭ ...ৰ্ভ দিয়া হৈছে। সম্প্ৰতি প্ৰায় ৫ হাজাৰ ... আনহাতে, হে যোৱা পদত আৰক্ষীৰ ...বে যি শাৰীৰিক পৰীক্ষা হৈছিল, তাত

পেটুৱা আৰু মদাহী আৰক্ষী। ফিটনেছ নথকা আৰক্ষীক দিব বিদায়। চলিত বৰ্ষতেই এইসকল পেটুৱা আৰক্ষীক ভি আৰ এছৰ জৰিয়তে বিদায় দিয়া হ'ব। তিনি-চাৰি মাহৰ ভিতৰত ফিটনেছৰ প্ৰমাণ-পত্ৰ দিব লাগিব। যদি ফিটনেছৰ প্ৰমাণ-পত্ৰ দিব নোৱাৰে, তেন্তে বিদায় ল'ব লাগিব চাকৰিৰ পৰা। আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে আৰু কয়— মেদবহুল আৰু মদাহী আৰক্ষীৰ তালিকা প্ৰস্তুত কৰিবৰ বাবে ইতিমধ্যে প্ৰতিখন জিলাতেই কমিটী গঠন কৰি দিয়া হৈছে। উক্ত কমিটীয়ে প্ৰথমখন তালিকা প্ৰস্তুত কৰিছে। প্ৰথমখন তালিকাত নাম অন্তৰ্ভুক্ত হৈছে ৬৮০ গৰাকী পেটুৱা আৰক্ষীৰ।

## ...ছিক ৰিপৰ্টত যৌন নিৰ্যাতনৰ ভয়ংকৰ

...য়ে শাস্তি পায় তাৰ বাবে সকলো ...হণৰ পদক্ষেপ লোৱা হ'ব বুলিও মন্তব্য ...জনতা ভৱনত এখন সংবাদমেলত

চিকিৎসক স্বামী ডাঃ ৱালিউল ইছলাম। ইতিমধ্যেই এই পাষাণ দম্পতীক ৫ দিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। ডাঃ সংগীতা দত্তক পাণবজাৰ মহিলা আৰক্ষী...

## সফল হ'বলৈ লাগিব মনৰ দৃঢ়তা ঃ কানৈ

উদ্দেশ্যি এক অনুষ্ঠানত এই মন্তব্য দৌৰবিদগৰাকীৰ। কেইবাটাও কাৰ্যসূচী লৈ ডিব্ৰুগড়লৈ অহা হিমা দাসে আজি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ আহ্বানমৰ্মে মহাবিদ্যালয়খনৰ এক অনুষ্ঠানত ভাগ লয় হিমা দাসে। অধ্যক্ষ ড° শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ অন্যান্য অধ্যাপক-অধ্যাপিকৰ উপৰি ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ দেৱজিৎ দত্ত উপস্থিত থাকে। দৌৰবিদ হিমা দাসে মূলতঃ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যিয়েই নিজৰ চমু ভাষণ প্ৰদান কৰে। অন্তৰংগ অনুষ্ঠানটোত হিমা দাসে কয়— মই নৱম শ্ৰেণীত এবাৰ ফেইল কৰিছিলোঁ। ছাত্ৰ একতা সভাৰ সম্পাদিকা হৈ থকাৰ সময়ত পঢ়া-শুনাৰ প্ৰতি গুৰুত্ব নিদিয়াৰ বাবেই এনে হৈছিল। অৱশ্যে নিজকে মেধাসম্পন্ন ছাত্ৰী নাছিলোঁ বুলি উল্লেখ কৰি হিমাই লগতে কয় যে মেট্ৰিক পৰীক্ষা দিয়াৰ পিছত পাছ কৰিম বুলি সপোনতো ভবা নাছিলোঁ কিন্তু ভগৱানৰ আশীৰ্বাদত পাছ কৰিলোঁ যদিও সেইসময়ত মই বেছিভাগ সময় ফুটবলতে ব্যস্ত আছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলক খেলৰ লগতে পঢ়া-শুনাতো সমানে গুৰুত্ব দিবলৈ ভাষণ প্ৰসংগত বিশিষ্ট দৌৰবিদগৰাকীয়ে আহ্বান জনায়। দৌৰবিদ হিচাপে স্বীকৃতি পোৱাৰ পূৰ্বৰ দিনবোৰত কেতিয়াবা নিশা ২ বজাতো উঠি দৌৰৰ অনুশীলন কৰাৰ উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক কয় যে মনৰ দৃঢ়তা থাকিলে, একাগ্ৰতাৰে যিকোনো কামত লাগিলে কেতিয়াও সফল নোহোৱাকৈ থাকিব নোৱাৰে। প্ৰখ্যাত অভিনেতা অমিতাভ বচ্চন, ক্ৰিকেটৰ ভগৱান শচীন তেণ্ডুলকাৰৰ দৰে বিশিষ্ট ব্যক্তিক সাক্ষাৎ হোৱাৰ মধুৰ স্মৃতিও ৰোমন্থন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ স'তে আনন্দৰ ভাগ-বাটোৱাৰা কৰে। অনুষ্ঠানত মহাবিদ্যালয় উপাধ্যক্ষ প্ৰিয়দেৱ গোস্বামী, সহযোগী অধ্যাপক অনুপজ্যোতি ভৰালীসহ বহু শিক্ষক-কৰ্মচাৰী উপস্থিত থাকে।

## শিৱসাগৰত চালকৰ আক্ৰমণত হেণ্ডিমেন নিহত